**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ বাহিৰত মৃত্যু হোৱা লোকৰ মৃতদেহ স্বগৃহলৈ অনাৰ বাবে অসম মন্ত্ৰীসভাৰ শ্ৰদ্ধাঞ্জলি আঁচনিত অনুমোদন।
২। অ' এন জি চি ত গেছ্ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত চলি থকা অভিযানৰ উল্লেখনীয় অগ্ৰগতি।
৩। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আজি ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস।
৪। বিশ্বৰ অন্যতম শক্তিপীঠ কামাখ্যা মন্দিৰত পাঁচদিনীয়া কাৰ্যসূচীৰে কালি আৰম্ভ হোৱা অম্বুবাচী মহাযোগৰ আজি দ্বিতীয় দিন। **আৰু**
৫। হেডিংলি টেষ্টৰ দ্বিতীয় ইনিংছত ভাৰতৰ ২ উইকেটৰ বিনিময়ত ৯০ ৰান সংগ্ৰহ।

০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত শ্ৰদ্ধাঞ্জলি শীৰ্ষক এখন বিশেষ আঁচনি গ্ৰহণ কৰা হয়। এই শ্ৰদ্ধাঞ্জলি আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বহিঃৰাজ্যত অধ্যয়নৰত অথবা কৰ্মৰত লোকৰ মৃত্যু হ'লে তেওঁলোকৰ মৃতদেহ স্বগৃহলৈ অনাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। অসম আৰক্ষীৰ বিশেষ শাখাই এই আঁচনিখনৰ তদাৰকৰ দায়িত্বত থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। ভুক্তভোগী পৰিয়ালে এই আঁচনিৰ বাবে ১১২ নম্বৰত ফোন কৰি আৰক্ষীৰ বিশেষ শাখাৰ সৈতে যোগাযোগ কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অৱশ্যে ব্যক্তিগতভাৱে চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ গৈ মৃত্যু হোৱা লোকে এই আঁচনিৰ সুবিধা লাভ নকৰে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ................ **বাইট**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যত ৪৪ হাজাৰ ১০৬ খন বিদ্যালয়ত প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সেৱা আগবঢ়াই থকা ১ লাখ ৮ হাজাৰ ৬৪৩ গৰাকী মধ্যাহ্ন ভোজনৰ কৰ্মচাৰীৰ মাহিলী মাননি ৫০০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অক্টোবৰৰ পৰা মধ্যাহ্ন ভোজনৰ ৰান্ধনী আৰু কৰ্মচাৰীয়ে এই মাননি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। পূৰ্বে ৰান্ধনীসকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা এহেজাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা ৫০০ টকাকৈ লাভ কৰিছিল। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছতে এই মাননি দুহেজাৰ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

বৈঠকত ৰাভা হাছং এলেকাৰ বাহিৰত থকা লোকসকলৰ বাবে ৰাভা উন্নয়ন পৰিষদ গঠনতো অনুমোদন জনোৱা হয়। অংগনৱাড়ী কৰ্মীসকলৰ ক্ষেত্ৰত নিৰীক্ষক পদৰ বাবে ৫০ শতাংশ সংৰক্ষণৰ লগতে ৰাজ্যৰ তৃতীয়

লিংগৰ লোকসকলক সামাজিক আৰু আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ লোকৰ মৰ্যাদা প্ৰদানৰো সিদ্ধান্ত লোৱা হয়। গোৱালপাৰা জিলাৰ উৰপদ বিল আৰু হাছিলা বিলৰ দুহেজাৰ ৪৫ হেক্টৰ ভূমিক সংৰক্ষিত বনাঞ্চল হিচাপে বৈঠকত স্বীকৃতি প্ৰদান কৰা হয়। সৰ্বশিক্ষা অভিযানৰ পৰা নিয়মীয়া হোৱা সকলো শিক্ষকৰ বছৰেকীয়া মাননি ৩ শতাংশ বৃদ্ধি কৰাৰো সিদ্ধান্ত লোৱা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, সমগ্ৰ শিক্ষা অভিযান আৰু অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ্মচাৰীসকলৰ বাবে আপোন ঘৰ আৰু আপোন বাহন আঁচনিৰ অধীনত ঋণ লাভৰ সুবিধা সন্দৰ্ভতো এই বৈঠকত সিদ্ধান্ত লোৱা হয়। ইয়াৰ লগতে কাৰ্বি আংলং জিলাত হিন্দুজা কোম্পানীৰ পাম্প ষ্টৰেজ প্ৰকল্পৰ বাবে ৫ হাজাৰ ৪০০ কোটি টকাৰ অনুমোদন দিয়া হয়। বৈঠকত চন্দ্ৰপুৰত নৱোদয় বিদ্যালয় স্থাপনৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট ক্ৰীড়া সংগঠক বিচিত্ৰ কুমাৰ মেধিৰ আজি পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ মঙলদৈৰ কৰিম চ'ক নিজ বাসভৱনত দেহাৱসান ঘটে। প্ৰাক্তন ফুটবল ৰেফাৰী, নৰ্থ মঙলদৈ ক্লাবৰ প্ৰাক্তন সভাপতি, মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন উপ-সভাপতি মেধিৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৫ বছৰ। বিভিন্ন কাকত-আলোচনী, স্মৃতিগ্ৰন্থৰ সম্পাদক, মঙলদৈৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়োতা বিচিত্ৰ কুমাৰ মেধিৰ মৃত্যুত সমগ্ৰ দৰং জিলাত শোকৰ ছাঁ পৰিছে। তেওঁৰ শেষকৃত্য আজি আগবেলা মঙলদৈ শ্মশানত সম্পন্ন কৰা হ'ব।

০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম অ' এন জি চিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত চলি থকা অভিযানত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ৰীগৰ পৰা যোৱা ১২ দিনে হৈ থকা গেছ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে সকলো নিয়ম মানি চেষ্টা চলাই থকা হৈছে বুলি প্ৰতিষ্ঠানটোৰ প্ৰৱন্ধকে জানিবলৈ দিছে। অ' এন জি চিৰ সংকট ব্যৱস্থাপনাৰ দল আৰু বিশেষজ্ঞৰ দলটোৱে প্ৰায় ১০ ট্ৰেইলাৰ ভৰ্তি ৰীগৰ সামগ্ৰী ইতিমধ্যে সফলতাৰে স্থানান্তৰিত কৰিছে। ঘটনাস্থলীৰ পৰা ৰীগৰ অধিকাংশ সামগ্ৰী আঁতৰাই কুপটো কেপিং কৰাৰ বাবে চলাবলগীয়া অভিযানৰ বাবে ইতিমধ্যে সাজু কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় গধুৰ সঁজুলিসমূহ বৰ্তমান সেই স্থানলৈ নি থকা হৈছে। এই স্থানৰ লগতে ইয়াৰ আশে-পাশে থকা অঞ্চলৰ বায়ুৰ গুণাগুণ অবিৰতভাৱে নিৰীক্ষণ কৰি থকা হৈছে আৰু কুপটোৰ পৰা ৩০ মিটাৰৰ বাহিৰত হাইড্ৰোকাৰ্বনৰ উপস্থিতি ধৰা নপৰাটো উৎসাহজনক হিচাপে বিবেচিত হৈছে। এই মূল্যায়নৰ আধাৰত ঘটনাস্থলীৰ পৰা ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰত বাস কৰা লোকসকলক ঘৰলৈ উভতি আহি ৰন্ধা-বঢ়া আৰু বিদ্যুতৰ ব্যৱহাৰকে ধৰি স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ কৰাটো নিৰাপদ বুলি পৰামৰ্শ দিয়া হৈছে। পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী–

ভইচ কাষ্ট

০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ জিলাখনৰ হামৰেণত থকা কাৰ্বি পৰিষদৰ শাখা সচিবালয় প্ৰাংগনত আজি ৭৪ সংখ্যক কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালনৰ আয়োজন কৰা হৈছে। ডিফু চহৰৰ ছাৰছিং টেৰন লাংকুং হাবে টাউন হলত পুৱা ৮ বজাৰ পৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। দিনৰ ১০ বজাত কাৰ্বি পৰিষদৰ অধ্যক্ষ

ৰাজু তিছ্‌ৰে মুকলি সভাৰ অনুষ্ঠান সঞ্চালনা কৰিব। কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাৰ্বি জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত বিধায়ক ৰূপচিং টেৰণ আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙো উপস্থিত থাকিব।

০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ নীতিৰে পৰিচালিত ভাৰতে যোৱা এটা দশকত উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিছে। যোৱা ১১ বছৰে দেশৰ মূল খণ্ডসমূহত হোৱা পৰিৱৰ্তন সন্দৰ্ভত আমাৰ এক প্ৰতিবেদন

**প্ৰতিবেদন (ভইচ)**

০০০০০০

বিশ্বৰ অন্যতম শক্তিপীঠ কামাখ্যা মন্দিৰত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অম্বুবাচী মহাযোগ আৰম্ভ হৈছে। কালি প্ৰথম দিনটোতে তীব্ৰ গৰমকো নেওচি দেশী-বিদেশী লক্ষাধিক ভক্তৰ ভিৰেৰে কামাখ্যা দেৱালয়সহ সমগ্ৰ নীলাচল পাহাৰ মুখৰিত হৈ পৰা পৰিলক্ষিত হৈছে। চুবুৰীয়া দেশ নেপাল, ভূটান, বাংলাদেশৰ উপৰি জাৰ্মানীকে ধৰি ইউৰোপৰ কেইবাখনো দেশৰ পৰা বিদেশী ভক্ত অম্বুবাচী মহাযোগ উপলক্ষে আহি কামাখ্যা মন্দিৰত উপস্থিত হৈছেহি। বাহিৰৰ পৰা ভক্তৰ একাংশই মন্দিৰ চৌহদত নানা বেশ-ভূষা পৰিধান কৰি দেৱীক আৰাধনা কৰাৰ লগতে বিভিন্ন যোগ প্ৰদৰ্শন কৰি আন আন ভক্তক আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। ইপিনে অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। কালি সন্ধিয়া পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পাণ্ডু নদী বন্দৰ ঘাটত থকা শিবিৰটো মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, গুৱাহাটী পৌৰনিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে কামাখ্যা দেৱালয়ৰ বৰ দলৈ আৰু সৰু দলৈ উপস্থিত থাকে। ভক্তসকলক সহায়ৰ বাবে পৰ্যটন বিভাগে প্ৰথমবাৰৰ বাবে প্ৰণাম নামেৰে পাঁচটা আদৰণি কক্ষ নামনি কামাখ্যা, আদাবাৰী, কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু নদী বন্দৰ আৰু ভূতনাথত স্থাপন কৰিছে। ইপিনে নামনিৰ পৰা নীলাচল পাহাৰৰ ওপৰলৈ খোজকাঢ়ি উঠি যোৱা ভক্তৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব।

২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ হেডিংলীত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে কালি তৃতীয় দিনা দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ৯০ ৰানৰ পৰা আজি চতুৰ্থ দিনৰ খেল পুনৰ আৰম্ভ কৰিব। কালিৰ দিনান্তত কে এল ৰাহুলে ৪৭ আৰু অধিনায়ক শুভমন গীলে ৬ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে ইংলেণ্ডৰ বিৰুদ্ধে লীডছত চলি থকা টেষ্ট মেচৰ প্ৰথম ইনিংছত ভাৰতীয় দলে সংগ্ৰহ কৰা ৪৭১ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে ৪৬৫ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে প্ৰথম ইনিংছত ৬ ৰানৰ অগ্ৰগতি লাভ কৰিছে। শুভমন গিলে ১৪৭ ৰান কৰাৰ বিপৰীতে ঋষভ পণ্টে ১৩৪ ৰানৰ বৰঙণি আগবঢ়ায়। আয়োজক দলৰ হৈ অলি পোপে ১০৬ ৰান আৰু হেৰী ব্ৰুকে সংগ্ৰহ কৰা ৯৯ ৰাণে দলটোক লক্ষ্যৰ ওচৰ চাপিবলৈ সহায় কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৩ উইকেটত ৩৫৯ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছ আৰম্ভ কৰিছিল।

০০০০০০

ইজৰাইল-ইৰাণৰ মাজত যুদ্ধ অব্যাহত থকাৰ সময়তে ইৰাণৰ পৰমাণু কেন্দ্ৰত আমেৰিকাই বোমা আৰু ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলোৱাৰ পাছত বিশ্বজুৰি তৃতীয় বিশ্বযুদ্ধৰ আশংকা ঘনীভূত হৈছে। মধ্যপ্ৰাচ্যৰ যুদ্ধত জৰ্জৰিত হোৱাৰ কথা বিবেচনা কৰিবলৈ দুসপ্তাহৰ সময় লৈ দুদিন পিছতে ইৰাণৰ তিনিটা পাৰমাণৱিক ঘাটিত আমেৰিকাই বি-টু বোমাৰু বিমানেৰে আক্ৰমণ কৰে। এই বাতৰিটোয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকততে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতত প্ৰকাশিত বাতৰিটোৰ শিৰোনাম- বাজি উঠিল তৃতীয় বিশ্বযুদ্ধৰ দামামা, ইৰাণৰ পৰমাণু কেন্দ্ৰত আমেৰিকাৰ বোমা। **আমাৰ অসম** কাকতে যুদ্ধত আমেৰিকাৰ প্ৰৱেশ, ৩৭ঘন্টা উৰি আহি ৩টা পৰমাণু প্ৰকল্পত বাংকাৰ বাষ্টাৰৰ আঘাত শিৰোনামেৰে বাতৰিটো পৰিৱেশন কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম- সমগ্ৰ বিশ্বক আতংকিত কৰি ট্ৰাম্পৰ অপাৰেচন মিডনাইট হেমাৰ আৰম্ভ, ইৰাণত আমেৰিকাৰ প্ৰচণ্ড বোমা বৰ্ষণ।

গোৱালপাৰাৰ হাচিলাবিলৰ উচ্ছেদস্থলী পৰিদৰ্শন কৰিবলৈ যোৱা সাংসদ ৰকিবুল হুছেইনক কালি একাংশ লোকে অপদস্থ কৰাৰ লগতে বাহনৰো ক্ষতিসাধন কৰাৰ বাতৰিটো **দৈনিক অসম, অসমীয়া খবৰ** কাকতে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। লোকসেৱা ভৱনত কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবনেট বৈঠকত কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটো অনান্য কাকতকেইখনৰ লগতে THE SENTINAL আৰু THE ASSAM TRIBUNE কাকতেও পৰিৱেশন কৰিছে। শক্তিপীঠ কামাখ্যা ধামত কালিৰে পৰা বহু প্ৰত্যাশিত অম্বুবাচী মহাযোগ আৰম্ভ হোৱাৰ বাতৰিটো THE TIMES OF INDIA কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইজৰাইল আৰু ইৰাণৰ মাজত সংঘাতৰ অন্ত পেলাবলৈ দুয়োখন ৰাষ্ট্ৰৰ নেতৃত্বক আহ্বান জনাইছে।

০০০০০০

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট ক্ৰীড়া সংগঠক বিচিত্ৰ কুমাৰ মেধিৰ আজি পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ মঙলদৈৰ কৰিম চ'ক নিজ বাসভৱনত দেহাৱসান ঘটে। প্ৰাক্তন ফুটবল ৰেফাৰী, নৰ্থ মঙলদৈ ক্লাবৰ প্ৰাক্তন সভাপতি, মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন উপ-সভাপতি মেধিৰ মৃত্যুৰ সময়ত বয়স আছিল

৭৫ বছৰ। বিভিন্ন কাকত-আলোচনী, স্মৃতিগ্ৰন্থৰ সম্পাদক, মঙলদৈৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়োতা বিচিত্ৰ কুমাৰ মেধিৰ মৃত্যুত সমগ্ৰ দৰং জিলাত শোকৰ ছাঁ পৰিছে। তেওঁৰ শেষকৃত্য আজি আগবেলা মঙলদৈ শ্মশানত সম্পন্ন কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, নাগালেণ্ড, মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত